**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰতিৰক্ষা আমদানি অহা ৫ বছৰত ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

২। জম্মু-কাশ্মীৰত বিগত চাৰি দিনত সংঘটিত গুলীয়াগুলী আৰু আক্ৰমণৰ ঘটনাত দুটা সন্ত্ৰাসবাদীকে ধৰি এজন কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ জোৱান আৰু ৯ জন সাধাৰণ লোক নিহত হয়।

৩। অৰুণাচল প্ৰদেশৰ বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৱে ইটানগৰৰ দৰ্জি খান্দু অভিৰৰ্তন কেন্দ্ৰত আজি একেৰাহে তৃতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

৪। NEET UG প্ৰৱেশ পৰীক্ষাত গ্ৰেছ নম্বৰ লাভ কৰা এহেজাৰ ৫৬৩ গৰাকী পৰীক্ষাৰ্থীক অহা ২৩ জুনত পুনৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বিকল্প দিয়া হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ক অৱগত কৰিছে।

আৰু

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ৱেষ্ট ইণ্ডিজৰ কিংষ্টনত হ'বলগীয়া এখন খেলত বাংলাদেশ নেডাৰলেণ্ডছৰ সন্মুখীন হ'ব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰতিৰক্ষা আমদানি অহা ৫ বছৰত ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰী সিঙে কয় যে ভাৰতে ইতিমধ্যে ২১ হাজাৰ কোটি টকাতকৈও অধিক মূল্যৰ প্ৰতিৰক্ষা সা-সামগ্ৰী আমদানি কৰিছে। ইয়াক এক অভিলেখ বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে এখন শক্তিশালী আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ লগতে দেশৰ সুৰক্ষা তথা নিৰাপত্তা বাহিনীসমূহৰ কল্যাণ সাধনেই হৈছে কেন্দ্ৰীয় চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয়বস্তু।

০০০০০০০০০–

জম্মু-কাশ্মীৰৰ কাঠৱা আৰু ৰাছি জিলাত বিগত চাৰি দিনত ৫টা গুলীয়াগুলী আৰু আক্ৰমণৰ ঘটনাত দুটা সন্ত্ৰাসবাদীকে ধৰি এজন কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ জোৱান আৰু ৯ জন সাধাৰণ লোক নিহত হোৱাৰ লগতে আন ভালেমান লোক আহত হয়। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি ৭ জন নিৰাপত্তাৰক্ষী বিষয়াৰ ভিতৰত ৫ জন সৈনিক, এজন বিশেষ আৰক্ষী বিষয়া, এজন আৰক্ষী আৰু ৪২ জন সাধাৰণ লোক এই আক্ৰমণত আহত হয়। নিৰাপত্তাৰক্ষী বাহিনীৰ কালি দুজন অস্ত্ৰ সম্বলিত সন্ত্ৰাসবাদীৰ সৈতে হোৱা সংঘৰ্ষত কাঠৱা জিলাৰ হীৰানগৰত এজন চি আৰ পি এফ বিষয়াও নিহত হয়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ হবলগীয়া জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে আজি ইটালীলৈ বুলি ৰাওনা হব। বিদেশ সচিব বিনয় কোৱাট্ৰাই কালি বিয়লি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতক আউটৰীচ ৰাষ্ট্ৰ হিচাপে এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱা হৈছে। একেৰাহে তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী মোদীৰ এয়া প্ৰথম বিদেশ ভ্ৰমণ হ'ব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীকোৱাট্ৰাই কয় যে,

প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ভাৰত আৰু গ্লোৱেল চাউথৰূপে পৰিচিত ৰাষ্ট্ৰৰ সমূহৰ বাবে গুৰুত্বপূৰ্ণ বিভিন্ন বিষয় লৈ সন্মিলনত বিশ্ব নেতাসকলৰ সৈতে আলোচনাত সুযোগ প্ৰদান কৰিব। ভাৰতে জি-ছেভেন  শীৰ্ষ সন্মিলনত এইবাৰকে ধৰি একাদশ বাৰ অংশগ্ৰহণ কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবেলি একেৰাহে পঞ্চম বাৰৰ বাবে সন্মিলনত অংশ লব। প্ৰধানমন্ত্ৰীয়ে শুকুৰবাৰে আউটৰীচ সত্ৰত ভাগ ল’ব।

000000

অৰুণাচল প্ৰদেশৰ বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৱে ইটানগৰৰ দৰ্জি খান্দু অভিৰ্বতন কেন্দ্ৰত আজি একেৰাহে তৃতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। শ্ৰী খাণ্ডুৰ লগতে আন ১১ গৰাকী কেবিনেট মন্ত্ৰীয়েও শপত লয়। অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল কে টি পাৰনায়কে তেওঁলোকক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। পি ডি চৌনা, ৰাংকি লৱাঙকে ধৰি অন্যান্য ৰাজ্যিক কেবিনেট মন্ত্ৰীসকলে শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডা, জ্যেষ্ঠ বিজেপি নেতা ৰবিশংকৰ প্ৰসাদ, অসম আৰু ছিকিমৰ মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু আৰু অৰুণাচল পূব সংসদীয় সমষ্টিৰ সাংসদ তাপিৰ গাৱকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি আজি শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে। বিধানসভা নিৰ্বাচনত ৰাজ্যখনৰ মুঠ ৬০ খন আসনৰ ভিতৰত ৪৬ খন আসনতে বিজেপিয়ে বিজয় সাব্যস্ত কৰে। উল্লেখযোগ্য যে শ্ৰী খান্দুৱে কালি বিয়লি ৰাজভৱনত ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল কে টি পাৰনায়কক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। ইয়াৰ পাছতে ৰাজ্যপালগৰাকীয়ে শ্ৰী খান্দুক নতুন চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনায়। ইয়াৰ পূৰ্বে শ্ৰী খান্দুক কালি কেন্দ্ৰীয় পৰ্যবেক্ষক ৰবিশংকৰ প্ৰসাদ আৰু তৰুণ চুঘৰ উপস্থিতিত বিজেপিৰ বিধায়িনী দলৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে বাছনি কৰা হয়।

ooooooooo

নেপালৰ কাঠমাণ্ডুৱে এখন আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আয়োজনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। মেলাখনে আন্তঃৰাষ্ট্ৰীয় পৰ্যটন, বহনক্ষম উন্নয়ন আৰু সাংস্কৃতিক আদান-প্ৰদানৰ ক্ষেত্ৰত গুৰুত্ব দিছে। কাইলৈ আৰম্ভ হ’বলগীয়া মেলাখনত ১৬ খন দেশৰ পৰা কেইবাগৰাকী উদ্যোগপতিয়ে ভাগ ল’ব। অংশগ্ৰহণকাৰী দেশসমূহ হ’ল - ভাৰত, নেপাল, কোৰিয়া, টাইৱান, ছিংগাপুৰ, মালদ্বীপ, আমেৰিকা যুক্তৰাষ্ট্ৰ, নেডাৰলেণ্ড, শ্ৰীলংকা, চীন, থাইলেণ্ড, .ডুবাই, বাংলাদেশ, ভিয়েটনাম, মালয়েছিয়া আৰু ভূটান। মেলাখনত বিভিন্ন দেশৰ পৰা ডেৰশ খনতকৈ অধিক সামগ্ৰীৰ বিপণী থাকিব। আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু বহনক্ষম পৰ্যটনৰ ক্ষেত্ৰত এই মেলাখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

ooooooooo

NEET UG প্ৰৱেশ পৰীক্ষাত গ্ৰেছ নম্বৰ লাভ কৰা এহেজাৰ ৫৬৩ গৰাকী পৰীক্ষাৰ্থীক অহা ২৩ জুনত পুনৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বিকল্প দিয়া হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ক অৱগত কৰিছে। চৰকাৰে সৰ্বোচ্চ ন্যায়ালয়ক জনোৱা অনুসৰি গ্ৰেছ নম্বৰ লাভ কৰা এই পৰীক্ষাৰ্থীসকলৰ ফলাফলৰ পুনৰ বিবেচনা কৰাৰ বাবে এখন কমিটী গঠন কৰা হৈছে। অহা ৩০ জুনৰ পূৰ্বে এই ফলাফলসমূহ ঘোষণা কৰা হ’ব। এন টি এৰ বিৰুদ্ধে ইয়াৰ পূৰ্বে দাখিল কৰা এখন আবেদনত কোৱা হৈছিল যে প্ৰশ্নকাকত ফাদিলৰ লগতে অন্যান্য বিভিন্ন খেলিমেলিৰ মাজত যোৱা ৫ মে’ত এই প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হৈছিল। প্ৰশ্নকাকত ফাদিলৰ এই ঘটনাই সংবিধানৰ ১৪ নম্বৰ অনুচ্ছেদৰ সমানতাৰ অধিকাৰক উলংঘা কৰা বুলি এই আবেদনত উল্লেখ কৰা হৈছে। যাৰ যোগেদি এচাম অসৎ উপায় অৱলম্বন কৰা পৰীক্ষাৰ্থীয়ে নিকা আৰু স্বচ্ছতাৰে পৰীক্ষাত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলতকৈ অধিক সুযোগ লাভ কৰে।

ইপিনে, কেন্দ্ৰীয় চৰকাৰে আজি নীটৰ পৰীক্ষাত কোনোধৰণৰ দুৰ্নীতি সংঘটিত হোৱা নাই বুলি প্ৰকাশ কৰিছে। শিক্ষা দপ্তৰৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ধৰ্মেন্দ্ৰ প্ৰধানে আজি কয় যে বিষয়টো

উচ্চতম ন্যায়ালয়ত  দাখিল কৰা হৈছে আৰু এইবিষয়ে চৰকাৰে ন্যায়ালয়ত উত্তৰ দিব। তেওঁ লগতে কয় যে এই ঘটনা সন্দৰ্ভত পৰ্যবেক্ষণৰ বাবে শিক্ষাবিদসকলৰ তত্বাৱধানত এখন সমিতি ইতিমধ্যে গঠন কৰা হৈছে।

০০০০০০০০০

ঈদ-উজ-জোহা উপলক্ষে এইবাৰ ভাৰতৰ পৰা অভিলেখসংখ্যক ১ লাখ ৭৫ হাজাৰ হজযাত্ৰীয়ে পৱিত্ৰ মহানগৰ মক্কা আৰু মদিনাত উপস্থিত হৈছে। ভাৰত চৰকাৰে প্ৰদান কৰা ভালেমান নতুন সা-সুবিধাৰ বাবে এইবাৰ যথেষ্ট সংখ্যক লোকে হজ যাত্ৰাত অংশগ্ৰহণ কৰিছে। প্ৰথমে ভাৰতীয় হজ কমিটীৰ অধীনত যাত্ৰা কৰা প্ৰায় ৯৫ শতাংশ অৰ্থাৎ ১ লাখ ৪০ হাজাৰতকৈ অধিক হজ যাত্ৰীক মদিনাৰ মাৰ্কাজিয়া অঞ্চলৰ হোটেলসমূহত থকাৰ ব্যৱস্থা কৰা হয়। ভাৰতীয় হজ কমিটীৰ অধীনত যোৱা সকলো যাত্ৰীকে মিনাৰ পৰম্পৰাগত সীমাৰ ভিতৰত ৰখাৰ লগতে তেওঁলোকক সুষম খাদ্য প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। ইপিনে, জেড্ডাহৰ পৰা মক্কালৈ প্ৰতিঘণ্টাত ৩০০ কিলোমিটাৰ বেগেৰে চলাচল কৰা দ্ৰুতবেগী ৰে’লেৰে ৩৩ হাজাৰ যাত্ৰীক অনা-নিয়া কৰা ভাৰত প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছে। চৌদি কৰ্তৃপক্ষই এইবাৰ প্ৰথমবাৰৰ বাবে ভাৰতীয় হজ যাত্ৰীসকলক মক্কাৰ প্ৰধান মছজিদসমূহলৈ আহ-যাহৰ ক্ষেত্ৰত ২৪ ঘণ্টাই ব্যৱহাৰ কৰিব পৰা বাছ সেৱাৰো ব্যৱস্থা কৰিছে।

০০০০০০০০০

উত্তৰ ছিকিমৰ বিভিন্ন অঞ্চল আৰু মনগানৰ কেইবাটাও অঞ্চলত কালিৰেপৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ব্যাপক ভূমিস্খলন সংঘটিত হৈছে। এই দুৰ্ঘটনাত বহুতো জীৱন, ঘৰ ধবংস হোৱাৰ লগতে কেইবাটাও পৰিয়াল ভূমিহীন হৈ পৰিছে। ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেমসিং টামাঙে জিলা প্ৰশাসন, আৰক্ষী বিভাগ আৰু আন সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰি দ্ৰুত আৰু ব্যাপক প্ৰতিক্ৰিয়াৰ বাবে নিৰ্দেশ দিছে।

০০০০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ৱেষ্ট ইণ্ডিজৰ কিংষ্টনত হ’বলগীয়া এখন খেলত বাংলাদেশ নেডাৰলেণ্ডছৰ সন্মুখীন হ’ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ’ব।

আজি পুৱা ত্ৰিনিদাদৰ ব্ৰিয়ান লাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ৱেষ্ট ইণ্ডিজে নিউজিলেণ্ডক ১৩ ৰানত পৰাস্ত কৰে। এই জয়ৰ লগে লগে ৱেষ্ট ইণ্ডিজে ছুপাৰ এইট পৰ্যায়ৰ খেলৰ বাবে যোগ্যতা অৰ্জন কৰে। খেলখনত ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰি নিউজিলেণ্ডক ১৫০ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। শ্বেৰফিন ৰাডাৰফ’ৰ্ডে ৩৯ টা বলত ৬৮ ৰান কৰি অপৰাজিত হৈ থাকে। আনহাতে, ট্ৰেণ্ট বল্টে□কিৰি বাহিনীৰ হৈ তিনিটা উইকেট দখল কৰে। ১৫০ ৰানৰ বিজয় লক্ষ্যৰে খেলি নিউজিলেণ্ডে নিৰ্ধাৰিত ২০ অ’ভাৰত ৯টা উইকেটৰ বিনিময়ত কেৱল ১৩৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। আলজেৰি যোচেফৰ চাৰিটা আৰু গোদাকেছ মোটিৰ তিনিটা উইকেটৰ সহায়ত আয়োজক ৱেষ্ট ইণ্ডিজে ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰে।

ইপিনে, নিউয়ৰ্কৰ নাছাউ কাণ্টিত যোৱা নিশা অনুষ্ঠিত এখন খেলত ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰক ৭ উইকেটত পৰাস্ত কৰে। অনুষ্ঠিত খেলখনত ভাৰতে জয় লাভৰ জৰিয়তে প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ত স্থান নিশ্চিত কৰে। খেলখনত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ১১০ ৰাণ কৰে। আমেৰিকাৰ হৈ নিতিশ কুমাৰে ২৩টা বলত ২৭ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ অশদীপ সিঙে চাৰিটা উইকেট লাভ কৰে। ভাৰতে ১১১ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি আৰম্ভণিতে দুটাকৈ উইকেট হেৰুৱায়। বিৰাট কোহলীয়ে এটাও ৰাণ নকৰাকৈ আৰু ৰোহিত শৰ্মাই ৩ ৰাণ কৰি আউট হয়। আমেৰিকাৰ বাওঁহতীয়া বেগী বলাৰ সৌৰভ নেত্ৰাৱলকৰে দুয়োটা উইকেট দখল কৰে। ভাৰতে সূৰ্যকুমাৰ যাদৱৰ আকৰ্ষণীয় অৰ্ধশতক আৰু শিৱম ডুবেৰ ৩১ ৰাণৰ সহায়ত খেলখনত জয়লাভ কৰে।

০০০০০০০০০

সমাপ্ত